জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫৯/২০২১

ৰাজ্যৰ কৃষকসকলৰ পৰা ধান ক্ৰয় সন্দৰ্ভত ভাৰতীয় খাদ্য নিগমৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# সমাগত বিপণন কালছোৱাত ৰাজ্যৰ কৃষকৰ পৰা ন্যূনতম ১০ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতীয় খাদ্য নিগমৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত ৰাজ্য চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ তথা ভাৰতীয় খাদ্য নিগমৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্যৰ খেতিয়কসকলৰ পৰা ধান ক্ৰয়ৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে।

কেন্দ্ৰীয় চৰকাৰে ধাৰ্য কৰা ন্যূনতম সমৰ্থন মূল্যৰ ভিত্তিত খেতিয়কসকলৰ পৰা খাদ্য শস্য ক্ৰয়ৰ ক্ষেত্ৰত ভাৰতীয় খাদ্য নিগমৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সমাগত বিপণন সময়ছোৱাত ৰাজ্যৰ কৃষকসকলৰ পৰা ধান ক্ৰয়ৰ প্ৰক্ৰিয়াটো খৰতকীয়া কৰি তোলাৰ লগতে ৰাজ্যখনৰ পৰা ন্যূনতম ১০ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ ভাৰতীয় খাদ্য নিগমক আহ্বান জনায়। ধান উৎপাদন কৰা ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ কৃষকেই যাতে ন্যূনতম সমৰ্থন মূল্যত ধান বিক্ৰী কৰাৰ সুযোগ লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ প্ৰতিখন জিলাতে পৰ্যাপ্ত সংখ্যক অনুমোদিত ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰিবলৈ তেওঁ কেন্দ্ৰীয় সংস্থাটোৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ধান ক্ৰয়ৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰে ভাৰতীয় খাদ্য নিগমলৈ সকলোধৰণৰ আন্তঃগাঁথনিগত সা-সুবিধা আগবঢ়াব। ক্ৰয় কৰা ধান মজুতকৰণৰ বাবে ৰাজ্যৰ সকলো জিলাতে পৰ্যাপ্ত সংখ্যক ভঁৰাল গঢ়ি তোলাৰ লগতে ভাৰতীয় খাদ্য নিগমে এনে ভঁৰাল নিৰ্মাণ কৰিব বিচাৰিলে ৰাজ্য চৰকাৰে তাৰ বাবে প্ৰয়োজনীয় ভূমিও আৱণ্টন দিব বুলি তেওঁ জানিবলৈ দিয়ে। কৃষকসকলৰ পৰা ধান ক্ৰয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় সংস্থাটোক সকলোধৰণৰ সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।

এই বৈঠকত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষ ৰাজেন গোহাঁই, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিব বিশ্বৰঞ্জন চামাল, ভাৰতীয় খাদ্য নিগমৰ মুখ্য কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক সুদীপ সিঙৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**১১-০৯-২০২১**